# Official Spokesperson's response to a media query regarding Gurdwara 'ShahidiAsthan' at Naulakha Bazaar in Lahore, Pakistan

July 27, 2020

## পাকিস্তানৰ লাহোৰৰ নৌলাকা বাজাৰত অৱস্থিত 'শ্বাহিদী আস্থান' গুৰদ্বাৰা সম্পৰ্কে সংবাদ মাধ্যমৰ প্ৰশ্নত চৰকাৰী মুখপাত্ৰৰ প্ৰতিক্ৰিয়া

২৭ জুলাই, ২০২০

**পাকিস্তানৰ লাহোৰৰ নৌলাকা বাজাৰত অৱস্থিত 'শ্বাহিদী আস্থান' গুৰদ্বাৰা সম্পৰ্কে সংবাদ মাধ্যমে কৰা প্ৰশ্নত চৰকাৰী মুখপাত্ৰ শ্ৰী অনুৰাগ শ্ৰীবাস্তৱে কয়**

"পাকিস্তানৰ লাহোৰৰ নৌলাকা বাজাৰত অৱস্থিত ভাই তৰুসিং জীৰ শ্বহীদস্তম্ভৰ স্থানত থকা 'শ্বাহিদী আস্থান' গুৰদ্বাৰাত হোৱা ঘটনাৰ বাবে আজি পাকিস্তান দূতাবাসত এক প্ৰবল বিক্ষোভ জাৰি কৰা হয় যিহেতু এই স্থানক মছজিদ শ্বহীদগঞ্জৰ স্থান বুলি দাবী কৰাৰ লগতে এই হিন্দু ধৰ্মস্থানক এক মছজিদলৈ ধৰ্মান্তৰিত কৰাৰ প্ৰয়াস কৰা হৈছে।

গুৰদ্বাৰা শ্বাহিদী আস্থান ভাই তৰুসিং জী এটি ঐতিহাসিক গুৰদ্বাৰা যি স্থানত ভাই তৰুসিং জীয়ে ১৭৪৫ চনত নিজৰ প্ৰাণৰ আহুতি দিছিল। এই গুৰদ্বাৰা এক শ্ৰদ্ধাৰ স্থান আৰু শিখ সম্প্ৰদায়ৰ লোকৰ বাবে এক পবিত্ৰ ধৰ্মস্থান। সেইগতিকে এই ঘটনাক ভাৰতে যথেষ্ট গুৰুত্ব সহকাৰে লৈছে আৰু পাকিস্তানত বাস কৰা শিখ লঘু সম্প্ৰদায়ৰ বাবে ন্যায়ৰ আহ্বান কৰিছে।

ভাৰতে এই সন্দৰ্ভত তীব্ৰ ভাষাত উদ্বেগ প্ৰকাশ কৰে আৰু পাকিস্তানক এই বিষয়ে অনুসন্ধান কৰি শীঘ্ৰে সমাধান উলিয়াবলৈ আহ্বান জনাই। পাকিস্তানক এই দেশত বাস কৰা লঘু সম্প্ৰদায়সমূহৰ নিৰাপত্তা, সুৰক্ষা আৰু কল্যাণ নিশ্চিত কৰাৰ লগতে এই সম্প্ৰদায়সমূহৰ ধৰ্মীয় অধিকাৰ আৰু সাংস্কৃতিক ঐতিহ্য সুৰক্ষিত কৰিবলৈ ও আহ্বান জনোৱা হয়।”

**নতুন দিল্লী**
**২৭ জুলাই, ২০২০**

DISCLAIMER : This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.